**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-04-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

## *HEADLINES*

১। অপাৰেচন সিন্দূৰে কোনো পৰিস্থিতিতে যে ভাৰতে সন্ত্ৰাসবাদী কাৰ্যকলাপ সহ্য নকৰে, বিশ্বক তাৰ বাৰ্তা দিছে বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে প্ৰকাশ কৰিছে।

২। কেন্দ্ৰীয় সাংস্কৃতিক আৰু পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটে সোমনাথ মন্দিৰক দেশৰ আত্মসন্মান, দৃঢ়তা আৰু অদম্য ভাৱনাৰ প্ৰতীক বুলি অভিহিত কৰিছে।

৩। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসমসহ উত্তৰ-পূৰ্বাঞ্চলৰ ঠাই বিশেষে কাইলৈ ধাৰাসাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে।

৪। আমেৰিকা যুক্তৰাষ্ট্ৰৰ সেনা বাহিনীয়ে ইৰানৰ বন্দৰৰ পৰা বাণিজ্যিক জাহাজৰ চলাচল বন্ধ কৰাৰ উদ্দেশ্যে ৪২ খন জাহাজ আগচি ধৰা বুলি ঘোষণা কৰিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুজৰাট টাইটানছ, ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

অপাৰেচন সিন্দূৰে কোনো পৰিস্থিতিতে যে ভাৰতে সন্ত্ৰাসবাদী কাৰ্যকলাপ সহ্য নকৰে, বিশ্বক তাৰ বাৰ্তা দিছে বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি আয়োজিত ৰাষ্ট্ৰীয় সুৰক্ষা সন্মিলনৰ দ্বিতীয় সংস্কৰণত ভাষণ দি শ্ৰী সিঙে কয়, যে দেশ সন্ত্ৰাসবাদী আক্ৰমণ সংঘটিত হোৱাৰ পাছত অকল কূটনৈতিক বিবৃতি জাৰি কৰাৰ পুৰণি মানসিকতা পৰিহাৰ কৰিছে। তেওঁ লগতে কয়, যে চৰকাৰে সন্ত্ৰাসবাদী আৰু ইয়াৰ পৃষ্ঠপোষকসকলৰ মাজত ভেদাভেদ নকৰাৰ নীতি গ্ৰহণ কৰিছে। পাকিস্তানক আন্তঃৰাষ্ট্ৰীয় সন্ত্ৰাসবাদ আৰু ভাৰতবৰ্ষক তথ্য প্ৰযুক্তিৰ কেন্দ্ৰ বুলি মন্ত্ৰীগৰাকীয়ে অভিহিত কৰে।

(বাইট)

শ্ৰী সিঙে লগতে নতুন বিশ্ব শৃংখলাৰ আৱশ্যকতা আৰু ইয়াৰ বিভিন্ন দিশৰ পৰা অনুকুল শাসন ব্যৱস্থা আঁকোৱালি লোৱাৰ পোষকতা কৰে। পৰিৱৰ্তিত বিশ্ব শৃংখলাত অধিক সতৰ্কতাৰে অগ্ৰসৰ হোৱা আৱশ্যক বুলি শ্ৰী সিঙে মন্তব্য কৰে। পশ্চিম এছিয়াৰ সংঘৰ্ষৰ পৰিপ্ৰেক্ষিতত হোৱা দ্ৰুত পৰিৱৰ্তনৰ বিষয়ে আলোকপাত কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে দেশে প্ৰতিগৰাকী ব্যক্তিৰ সন্মান আৰু প্ৰতিগৰাকী ব্যক্তিয়ে সন্মান আৰু মৰ্যাদা লাভ কৰা আৰু বিবাদৰ পৰা মতানৈক্য সৃষ্টি নোহোৱা আৰু বিবাদেই বিনাশৰ কাৰণত পৰিণত নোহোৱা এটা ব্যৱস্থা আঁকোৱালি লোৱাৰ আৱশ্যকতা আছে। দেশত কৃত্ৰিম বুদ্ধিমত্তাৰ ভূমিকাৰ বিষয়ে আলোকপাত কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰযুক্তি দেশৰ বাহিনীসমূহৰ অবিচ্ছেদ্য অংগ হৈ পৰিছে। তেওঁ কয়, যে নতুন বিশ্ব শৃংখলাত কৃত্ৰিম বুদ্ধিমত্তা দেশৰ কৌশলগত প্ৰস্তুতিৰ অভিন্ন অংগ হৈ পৰিছে।

(বাইট)

প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে ২০২৫-২৬ বিত্তীয় বৰ্ষত প্ৰতিৰক্ষা ৰপ্তানিয়ে অভিলেখ পৰিমাণৰ ৩৮ হাজাৰ ৪২৪ কোটি টকা স্পৰ্শ কৰা বুলি মন্তব্য কৰে। তেওঁ কয়, যে প্ৰতিৰক্ষা আহিলাপাতিৰ ৰপ্তানিৰ পৰিমাণ ২০২৫-২৬ বিত্তীয় বৰ্ষত পূৰ্বৰ বছৰৰ তুলনাত ৬২ শতাংশৰো অধিক বৃদ্ধি পাইছে। শ্ৰী সিঙে কয়, যে চৰকাৰে সমগ্ৰ দেশত কম্পিউটাৰৰ ব্যৱহাৰ সুচল কৰি তোলাৰ বাবে কাম কৰি আহিছে, যাতে সৰু সৰু চহৰৰ যুৱক-যুৱতীসকলেও কৃত্ৰিম বুদ্ধিমত্তাক্ষেত্ৰলৈ অৱদান আগবঢ়াব পাৰে। তেওঁ কয়, যে জি পি ইউৰ সামৰ্থ্য বৃদ্ধি, ভৱিষ্যমুখী দক্ষতা কাৰ্যসূচী আৰু ডাটা আৰু কৃত্ৰিম বুদ্ধিমত্তা পৰীক্ষাগাৰ স্থাপনৰ দৰে উদ্যমসমূহে প্ৰযুক্তি বিপ্লৱৰ ক্ষেত্ৰত নিজকে অগ্ৰণী ৰূপে প্ৰতিষ্ঠা কৰাৰ বাবে দেশৰ প্ৰতিশ্ৰুতিবদ্ধতাক প্ৰতিফলিত কৰে।

০০০০০০০০০

কেন্দ্ৰীয় সাংস্কৃতিক আৰু পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটে সোমনাথ মন্দিৰক দেশৰ আত্মসন্মান, দৃঢ়তা আৰু অদম্য ভাৱনাৰ প্ৰতীক বুলি অভিহিত কৰিছে। নতুন দিল্লীত আজি সোমনাথ স্বাভিমান পৰ্ব যাত্ৰা মুকলি কৰি মন্ত্ৰীগৰাকীয়ে এইদৰে মন্তব্য কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰি শ্ৰী শেখাৱটে কয়, যে এই পদক্ষেপে জনসাধাৰণক অতীত আৰু পূৰ্বপুৰুষসকলৰ পৰাজয়ৰ পাছতো পুনৰ উত্থানৰ ভাৱনাৰ পৰা অনুপ্ৰেৰণা গ্ৰহণ কৰিবলৈ উৎসাহিত কৰিব।

(বাইট)

সোমনাথ স্বাভিমান পৰ্বযাত্ৰাৰ অধীনত প্ৰায় এহেজাৰ ৩০০ গৰাকী ভক্ত বিশেষ ৰে'লগাড়ীৰে গুজৰাটত সোমনাথ মন্দিৰ অভিমুখে ৰাওনা হৈছে। শ্ৰী শেখাৱট, দিল্লীৰ মুখ্য মন্ত্ৰী ৰেখা গুপ্তা আৰু দিল্লীৰ সাংস্কৃতিক মন্ত্ৰী কপিল মিশ্ৰই আজি দিল্লীৰ ছফদৰজং ষ্টেচনৰ পৰা পতাকা জোকাৰি শুভাৰম্ভ কৰে। সোমনাথ মন্দিৰৰ প্ৰতি অভূতপূৰ্ব আস্থা আৰু ভক্তিৰ এহেজাৰ বৰ্ষ সম্পূৰ্ণ হোৱাৰ লগত সংগতি ৰাখি এই যাত্ৰাৰ আয়োজন কৰা হৈছে।

০০০০০০০০০

ৰ'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি জম্মু-তাৱী ৰে'লৱে ষ্টেচনৰ পৰা শ্ৰীনগৰ-কাট্ৰা বন্দে ভাৰত এক্সপ্ৰেছ ৰে'ল সেৱাৰ শুভাৰম্ভ কৰে। সম্প্ৰতি শ্ৰীনগৰ আৰু মাতা বৈষ্ণো দেৱী-কাট্ৰাৰ মাজত চলি থকা ৰে'লখনৰ সেৱা জম্মু-তাৱী লৈকে সম্প্ৰসাৰণ কৰা হৈছে। ৰে'লখনৰ ডবাৰ সংখ্যা বৰ্তমান ৮ৰ পৰা ২০ লৈ বৃদ্ধি কৰাৰ ফলত যাত্ৰীসকলৰ সুবিধা হোৱাৰ লগতে যাত্ৰাও সুচল হ'ব। আজিৰ অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী জীতেন্দ্ৰ সিং আৰু ৰাজ্যখনৰ মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লা উপস্থিত থাকে।

অনুষ্ঠানত ৰেল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে বিগত ১২ বছৰত ৰেলখণ্ডত গুৰুত্বপূৰ্ণ পৰিৱৰ্তন হোৱা দেখা গৈছে। ৩৭০ নম্বৰ অনুচ্ছেদ বাতিলৰ পাছৰে পৰা ৰাজ্যখনত নিৰন্তৰ উন্নয়ন সাধন হৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয় যে যাত্ৰীৰ বৰ্ধিত প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰাখি শ্ৰীনগৰ-জম্মু বন্দে ভাৰত এক্সপ্ৰেছত ডবাৰ সংখ্যা ৮ ৰ পৰা ২০ লৈ বৃদ্ধি কৰা হৈছে। বিগত বৰ্ষৰ জুনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাট্ৰাৰ পৰা কাশ্মীৰলৈ বন্দে ভাৰত ৰেল সেৱাৰ শুভাৰম্ভ কৰিছিল বুলি উল্লেখ কৰি শ্ৰীবৈষ্ণৱে কয় যে তেতিয়াৰে পৰা ৫ লাখ ৫০ হাজাৰৰো অধিক যাত্ৰীয়ে এই ৰেল সেৱাৰ সুবিধা লাভ কৰিছে।

আকাশবাণীৰ সংবাদদাতাই জনোৱা মতে এই ৰেল সেৱাই বিশেষকৈ বৈষ্ণুদেৱী আৰু অমৰনাথ যাত্ৰালৈ যোৱা তীৰ্থ যাত্ৰীসকলক উপকৃত কৰিব বুলি আশা কৰা হৈছে।

০০০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি নতুন দিল্লীত ইটালীৰ প্ৰতিৰক্ষা মন্ত্ৰী গাইড' ক্ৰছেট'ক সাক্ষাৎ কৰিছে। দুয়োগৰাকী নেতাই দেশ দুখনৰ মাজৰ প্ৰতিৰক্ষা সহযোগিতা সম্পৰ্কীয় বিভিন্ন বিষয়ত আলোচনাত মিলিত হ'ব। তেওঁলোকে লগতে সাম্প্ৰতিক নিৰাপত্তাজনিত দিশত আঞ্চলিক আৰু গোলকীয় বিষয়ত মত বিনিময় কৰাৰ সম্ভাৱনা আছে। ইয়াৰ পূৰ্বে ইটালীৰ প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে নতুন দিল্লীৰ ৰাষ্ট্ৰীয় যুদ্ধ স্মাৰকত পুষ্পাঞ্জলি অৰ্পণ কৰি সামৰিক অভিবাদন পৰিদৰ্শন কৰে।

00000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৰ্মঠ আৰু উদ্যমী নাগৰিকসকল দেশৰ মহান শক্তি বুলি অভিহিত কৰিছে। সামাজিক মাধ্যমযোগে সংস্কৃতৰ হিতোপদেশ শ্বেয়াৰ কৰি শ্ৰী মোদীয়ে কয়, যে এই নাগৰিকসকলৰ কঠোৰ পৰিশ্ৰমৰ জৰিয়তে উন্নয়নৰ নতুন পথ মুকলি হৈছে। তেওঁ লগতে কয়, যে নাগৰিকসকলৰ প্ৰচেষ্টাৰ বলত দেশ সমৃদ্ধি, আত্মনিৰ্ভৰশীলতা আৰু প্ৰগতিৰ নতুন শিখৰত উপনীত হৈছে।

000000000

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, পশ্চিমবংগৰ হিমালয়ৰ পাদদেশৰ অঞ্চল আৰু ছিকিমৰ বিভিন্ন অঞ্চলত কাইলৈ ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। ইপিনে, পশ্চিম হিমালয় অঞ্চল, উত্তৰ-পূব বিহাৰ, আৰু উত্তৰ-পূব ভাৰতৰ বাহিৰে দেশৰ বেছিভাগ ঠাইতে বিগত কিছুদিন ধৰি সৰ্বোচ্চ তাপমাত্ৰা ৪০ৰ পৰা ৪৬ ডিগ্ৰী চেলছিয়াছৰ ভিতৰত আছে। উত্তৰ প্ৰদেশৰ বাণ্ডাত সৰ্বোচ্চ তাপমাত্ৰা ৪৫ দশমিক ৬ ডিগ্ৰী ছেলছিয়াছ ৰেকৰ্ড কৰা হয়। বিভাগটোৱে প্ৰকাশ কৰা মতে আজি আৰু ২ৰ পৰা ৫ মে'ৰ ভিতৰত পঞ্জাৱ, হাৰিয়ানা, চণ্ডীগড় আৰু দিল্লীৰ কোনো কোনো অঞ্চলত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ আৰু ধুমুহা অহাৰ সম্ভাৱনা আছে। কাইলৈ পৰ্যন্ত ওড়িশাত বিভিন্ন অঞ্চলত বতৰ গৰম আৰু আৰ্দ্ৰ হোৱাৰ সম্ভাৱনা আছে বুলিও কোৱা হৈছে।

000000000

সামুদ্ৰিক বাণিজ্য প্ৰতিৰোধৰ লক্ষ্যৰে ইৰাণৰ বন্দৰত বাণিজ্যিক জাহাজৰ প্ৰৱেশ আৰু প্ৰস্থানত বাধা প্ৰদানৰ অংশ হিচাপে আমেৰিকা যুক্তৰাষ্ট্ৰৰ সেনা বাহিনীয়ে ৪২ খন জাহাজ অৱৰোধ কৰা বুলি ঘোষণা কৰিছে। আমেৰিকাৰ কেন্দ্ৰীয় কমাণ্ডৰ ব্ৰেড কুপাৰে সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰকাশ কৰা মতে আমেৰিকাৰ সেনাই ৪১ খন টেংকাৰ অৱৰোধ কৰি ৰাখিছে। এই টেংকাৰসমূহত ৬০০ কোটি মাৰ্কিন ডলাৰ মূল্যৰ প্ৰায় ৬ কোটি ৯০ লাখ বেৰেল তেল কঢ়িয়াই অনা হৈছে। ইৰাণে যাতে তেল ৰপ্তানিৰ জৰিয়তে লাভান্বিত হ'ব নোৱাৰে সেই উদ্দেশে আমেৰিকাই এই অভিযান চলায়। ইপিনে ইৰাণে এই অৱৰোধৰ তীব্ৰ গৰিহণা দি এই কাৰ্যক সামুদ্ৰিক ডকাইতি বুলি উল্লেখ কৰে। দেশখনৰ মুখ্য সামৰিক কমাণ্ড খতম-অল-আনবিয়াৰ কেন্দ্ৰীয় মুখ্য কাৰ্যালয়ে প্ৰকাশ কৰা মতে জাহাজসমূহত কৰ্মচাৰীসকলৰ পৰিয়ালৰ সদস্য থকাৰ বাবে ইৰাণৰ সশস্ত্ৰ বাহিনীয়ে এই সময়ত আক্ৰমণ কৰাৰ পৰা বিৰত থাকে। অৱশ্যে আমেৰিকাই ইৰাণৰ বিৰুদ্ধে এনে ধৰণৰ অৱৰোধ অব্যাহত ৰাখিলে অতি শীঘ্ৰেই দেশখনে ইয়াৰ উচিত সামৰিক প্ৰত্যুত্তৰ দিব বুলি সকীয়াই দিয়ে।

000000000

আই পি এল ক্রিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত গুজৰাট টাইটানছ, ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭  বজাত অনুষ্ঠিত হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে মুম্বাই ইণ্ডিয়ানছক ৬ উইকেটত পৰাস্ত কৰে।

0000000

সমাপ্ত